**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 12-02-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। ঔদ্যোগিক সম্পৰ্ক সংহিতা, ২০২০ৰ দ্বাৰা ভৱিষ্যতে পুৰণি কিছু আইনৰ ধাৰাবাহিকতা সন্দৰ্ভত সম্ভাব্য জটিলতা আঁতৰাবলৈ লোকসভাত কালি এখন সংশোধনী বিধেয়ক উত্থাপন কৰা হয়।

২। বাংলাদেশত কটকটীয়া নিৰাপত্তা ব্যৱস্থাৰ মাজেৰে আজি সংসদীয় নিৰ্বাচনৰ বাবে ভোটগ্ৰহণ আৰম্ভ হ'ব।

৩। **কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদে চলিত বৰ্ষৰ পৰা দ্বাদশ শ্ৰেণীৰ উত্তৰবহী মূল্যায়ণৰ বাবে অ এছ এম ব্যৱস্থাৰ ৰূপায়ণ কৰিব।**

৪। ৰাষ্ট্ৰীয় উৎপাদনশীলতা পৰিষদ NPCএ ৬৮ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে আজিৰে পৰা ৰাষ্ট্ৰীয় উৎপাদনশীলতা সপ্তাহ পালন কৰিব। **আৰু**

৫। টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি শ্ৰীলংকা অমানৰ, নেপাল ইটালীৰ আৰু ভাৰত নামিবিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

ভৱিষ্যতে ঔদ্যোগিক সম্পৰ্ক সংহিতা, ২০২০ৰ দ্বাৰা কিছুমান আইনৰ ধাৰাবাহিকতা সন্দৰ্ভত কোনো অযুক্তিকৰ জটিলতা সৃষ্টি নোহোৱাটো সুনিশ্চিত কৰিবলৈ লোকসভাত কালি এখন সংশোধনী বিধেয়ক উত্থাপন কৰা হয়। ঔদ্যোগিক সম্পৰ্ক সংহিতা (সংশোধনী) বিধেয়ক, ২০২৬ খন লোকসভাৰ শূন্যকালত কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ মন্ত্ৰী শ্ৰী মনসুখ মাণ্ডভ্যাই উত্থাপন কৰে।

বিধেয়কৰ উদ্দেশ্য আৰু কাৰণসমূহৰ বিবৃতিত উল্লেখ কৰা হৈছে যে - ঔদ্যোগিক সম্পৰ্ক সংহিতা, ২০২০-এ বাণিজ্য সংঘ, ঔদ্যোগিক নিয়োগ আৰু ঔদ্যোগিক বিবাদ সম্পৰ্কীয় **১৯২৬** চনৰ বাণিজ্য সংঘ আইন, **১৯৪৬** চনৰ ঔদ্যোগিক নিয়োগ আইন আৰু **১৯৪৭** চনৰ ঔদ্যোগিক বিবাদ আইনৰ স্থান গ্ৰহণ কৰিছে।

০০০০০

বাংলাদেশত কটকটীয়া নিৰাপত্তা ব্যৱস্থাৰ মাজেৰে কিছু সময়ৰ পাছতে ৰাষ্ট্ৰীয় সংসদীয় নিৰ্বাচনৰ বাবে ভোটগ্ৰহণ আৰম্ভ হ'ব। পুৱা ৭:৩০ বজাৰ পৰা বিয়লি চাৰে চাৰি বজালৈকে ভোটগ্ৰহণ পক্ৰিয়া অনুষ্ঠিত হ'ব। ২৯৯টা সমষ্টিৰ মুঠ ৪২ হাজাৰ ৭৭৯টা ভোটকেন্দ্ৰত ভোটগ্ৰহণ চলিব। এজন প্ৰাৰ্থীৰ মৃত্যুৰ বাবে শ্বেৰপুৰ ৩ সমষ্টিত ভোটগ্ৰহণ স্থগিত ৰখা হৈছে। নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি দেশখনৰ মুঠ ভোটাৰৰ সংখ্যা ১২ কোটি ৭৭ লাখ।

সংসদীয় নিৰ্বাচনৰ সমান্তৰালভাৱে আজি প্ৰস্তাৱিত "জুলাই চনদ"ৰ অধীনত গণভোটৰ জৰিয়তে মূল সাংবিধানিক আৰু প্ৰতিষ্ঠানিক সংস্কাৰৰ বাবে ৰাজহুৱা অনুমোদন বিচৰা হ'ব।

দেশখনৰ মুখ্য নিৰ্বাচন আয়ুক্ত এ এম এম নাছিৰ উদ্দিনে নাগৰিকসকলক শান্তিপূৰ্ণভাৱে ভোটদান কৰিবলৈ আহ্বান জনাইছে আৰু যিকোনো অপ্ৰীতিকৰ ঘটনাৰ সৈতে দৃঢ়তাৰে মোকাবিলা কৰা হ'ব বুলি সকীয়নি প্ৰদান কৰিছে। দেশখনত সেনাৰ সহযোগত প্ৰায় ৯ লাখ ৫৮ হাজাৰ নিৰাপত্তাৰক্ষী মোতায়েন কৰা হৈছে।

00000

ৰাষ্ট্ৰীয় উৎপাদনশীলতা পৰিষদ NPCএ ৬৮ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে আজিৰে পৰা ৰাষ্ট্ৰীয় উৎপাদনশীলতা সপ্তাহ পালন কৰিব। চলিত মাহৰ ১৮ তাৰিখলৈকে সমগ্ৰ দেশতে এই সপ্তাহ পালন কৰা হ'ব। ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ উৎপাদনক্ষমতা সৰ্বাধিক কৰি তোলাৰ উদ্দেশ্যৰে এই কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ে কয় যে এম এছ এম ই খণ্ডক শক্তিশালী কৰা, উৎপাদনৰ ক্ষেত্ৰত প্ৰতিযোগিতামূলক ক্ষমতা বৃদ্ধি কৰা আৰু বহনক্ষম ঔদ্যোগীকৰণৰ প্ৰসাৰৰ ওপৰত গুৰুত্ব দিয়াৰ লক্ষ্যৰে এই কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। এই উপলক্ষে বেংগালুৰু, ভুৱনেশ্বৰ, চণ্ডীগড়, চেন্নাই, গান্ধীনগৰ, গুৱাহাটী আৰু হায়দৰাবাদকে ধৰি দেশজুৰি ধাৰাবাহিক অনুষ্ঠান, আলোচনা চক্ৰ আৰু কৰ্মশালাৰ আয়োজন কৰা হ'ব। বিশেষ সপ্তাহটোত ২৪ খন স্থানীয় উৎপাদনশীলতা পৰিষদ, ভাৰত চৰকাৰৰ সংশ্লিষ্ট মন্ত্ৰালয়, ৰাজ্য চৰকাৰ, উদ্যোগিক সংস্থা আৰু শৈক্ষিক প্ৰতিষ্ঠানসমূহে সহযোগিতা আগবঢ়াব।

00000

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ, CBSE-য়ে চলিত বৰ্ষৰ পৰা দ্বাদশ শ্ৰেণীৰ পৰীক্ষাৰ উত্তৰবহীৰ মূল্যায়নৰ বাবে অন স্ক্ৰীণ মাৰ্কিং চমুকৈ অ'এছএম ৰূপায়ণ কৰিব। অৱশ্যে দশম শ্ৰেণীৰ উত্তৰবহীৰ মূল্যায়ন পূৰ্বৰ দৰেই অব্যাহত থাকিব।

চিবিএছইৰ পৰীক্ষা নিয়ন্ত্ৰক সন্যম ভৰদ্বাজে প্ৰকাশ কৰিছে যে পৰিষদে দক্ষতা আৰু স্বচ্ছতা বৃদ্ধিৰ নিৰন্তৰ প্ৰচেষ্টাত এইবাৰৰ পৰীক্ষাৰ পৰা আৰম্ভ কৰি দ্বাদশ শ্ৰেণীৰ উত্তৰবহীৰ মূল্যায়নৰ বাবে অন-স্ক্ৰীণ মাৰ্কিং ব্যৱস্থা প্ৰৱৰ্তনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। বিষয়াগৰাকীয়ে ব্যাখ্যা কৰে যে এই পদক্ষেপে সমন্বয় উন্নীত কৰিব আৰু মেনুৱেল হস্তক্ষেপ হ্ৰাস কৰাৰ লগতে ভুল হোৱাৰ সম্ভাৱনাকো নিৰ্মূল কৰিব।

উল্লেখযোগ্য যে, চিবিএছইয়ে ভাৰতৰ লগতে ২৬খন দেশত বছৰি ৪৬ লাখ শিক্ষাৰ্থীক সামৰি দশম আৰু দ্বাদশ শ্ৰেণীৰ ব'ৰ্ড পৰীক্ষা অনুষ্ঠিত কৰি আহিছে।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰ'লছ ৰয়চৰ মুখ্য কাৰ্যবাহী বিষয়া তুফান এৰগিন-বিলজিকক সাক্ষাৎ কৰে। সামাজিক মাধ্যমযোগে শ্ৰীমোদীয়ে উল্লেখ কৰে যে - ভাৰতত ৰ'লছ ৰয়ছৰ কাম কাজ বৃদ্ধি কৰা আৰু দেশৰ উদ্ভাৱনীমূলক তথা উদ্যমী যুৱক-যুৱতীসকলৰ সৈতে সম্পৰ্ক সুদৃঢ়কৰণৰ প্ৰতি থকা উৎসাহক ভাৰতে আদৰণি জনাইছে।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কেইবাটাও প্ৰকল্প উদ্বোধন কৰাৰ উদ্দেশ্যে অহা শনিবাৰে অসমলৈ আহিব। প্ৰধানমন্ত্ৰীগৰাকী প্ৰথমে ডিব্ৰুগড়ৰ চাবুৱাস্থিত বায়ুসেনা ঘাটিত উপস্থিত হ'ব আৰু তাৰ পৰা মৰাণলৈ যাব। মৰাণত শ্ৰীমোদীয়ে জৰুৰীকালীন অৱস্থাত উৰণ-অৱতৰণ কৰিব পৰাকৈ বিশেষভাৱে বিকশাই তোলা ঘাইপথত অৱতৰণ কৰিব। অনুষ্ঠানৰ অংশ হিচাপে কেইবাখনো যুঁজাৰু বিমানেও ঘাইপথত অৱতৰণ কৰাৰ

কথা। একাংশ বিমানে আকাশত উৰণ কৌশলো প্ৰদৰ্শন কৰিব। ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰা গুৱাহাটী আৰু উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বাৰ্মা সেঁতুখন মুকলি কৰিব।
শ্ৰীমোদীয়ে গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী দলং মুকলি কৰাৰ পাছত গুৱাহাটীত থকা ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান আই আই এমৰ অস্থায়ী চৌহদ উদ্বোধন কৰিব আৰু কেন্দ্ৰীয় পুঁজিৰে ক্ৰয় কৰা ১০০ খনৰো অধিক বৈদ্যুতিক বাছ ৰাজ্য চৰকাৰক অৰ্পণ কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে আমিনগাঁৱত হাইপাৰ স্কেল তথ্য কেন্দ্ৰ মুকলি কৰিব। ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীত বিজেপিৰ দলীয় কৰ্মীসকলৰ এখন বৈঠকতো অংশগ্ৰহণ কৰিব।

০০০০০

নিৰ্বাচন আয়োগে নিৰ্বাচন হ'বলগীয়া ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহত ইভিএম আৰু ভিভিপেটৰ ব্যাপক সজাগতা অভিযান আৰম্ভ কৰিছে। অসম, কেৰালা, পুডুচেৰী, তামিলনাডু আৰু পশ্চিম বংগৰ ভোটদাতাসকলক ইভিএম ব্যৱস্থাৰ বিষয়ে সজাগ কৰাৰ লক্ষ্যৰে এই অভিযান চলোৱা হৈছে বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে। আয়োগে প্ৰকাশ কৰা মতে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলকেইটাত ইভিএম প্ৰদৰ্শনী শিবিৰত ১ লাখ ২০ হাজাৰৰো অধিক ভোটদাতাই অংশ লৈছে। নিৰ্বাচন আয়োগে কয় যে ভোটদাতাসকলক ইভিএমৰ ব্যৱহাৰিক অভিজ্ঞতা প্ৰদান তথা নিৰ্বাচনী প্ৰক্ৰিয়াত স্বচ্ছতা নিশ্চিত কৰাৰ লক্ষ্যৰে এই সজাগতা অভিযান ৰূপায়ণ কৰা হৈছে।

০০০০০

কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চিবিআই আৰু ভাৰতীয় চাইবাৰ অপৰাধ সমন্বয় কেন্দ্ৰই নতুন দিল্লীত চাইবাৰ জালিয়াতি ৰোধ আৰু ইয়াৰ সমৰ্থনকাৰী পৰিৱেশতন্ত্ৰক নিঃশেষ কৰা সম্পৰ্কীয় দুদিনীয়া ৰাষ্ট্ৰীয় সন্মিলনৰ সামৰণি মাৰিছে। এই সন্মিলনত নীতি-নিয়মৰ সংস্কাৰ সাধন, কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰ আৰু চাইবাৰ অপৰাধৰ বিৰুদ্ধে যুঁজিবলৈ গোলকীয় সহযোগিতাৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰা হয়।

এটা বিবৃতিত চিবিআইয়ে প্ৰকাশ জৰিছে যে, সন্মিলনত অংশগ্ৰহণ কৰাসকলে চাইবাৰ দাসত্বৰপৰা সৃষ্ট ভাবুকি, বিদেশৰ কেলেংকাৰীত ভুক্তভোগীক জড়িত কৰা আৰু ইয়াৰ প্ৰতিৰোধমূলক ব্যৱস্থা, আন্তঃৰাষ্ট্ৰীয় সহযোগিতা তথা পুনৰ্বাসনৰ প্ৰয়োজনীয়তাৰ বিষয়ে আলোচনা কৰে। জালিয়াতিৰ সুবিধা প্ৰদানৰ ক্ষেত্ৰত সামাজিক মাধ্যমৰ মঞ্চ, মেছেঞ্জিং বা বাৰ্তা প্ৰেৰণ অসেৱা আৰু ডিজিটেল মধ্যস্থতাকাৰীৰ ভূমিকাকলৈও আলোচনা কৰাৰ লগতে দ্ৰুত তথ্য বিনিময়ৰ দিশটোত গুৰুত্ব দিয়া হয়। সফল চাইবাৰ অপৰাধ তদন্তৰ পৰা উত্তম পদ্ধতিসমূহৰ আলোচনা আৰু তদন্তৰ ক্ষমতা তথা সংস্থাসমূহৰ মাজত সমন্বয় বৃদ্ধি কৰা কৃত্ৰিম বুদ্ধিমত্তাচালিত উপকৰণৰ প্ৰদৰ্শনেৰে সন্মিলনৰ সামৰণি পৰে।

০০০০০

আই চি চি টি-২০ ক্ৰিকেট বিশ্বকাপত কালি নিশা মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ-চি পৰ্যায়ৰ এখন খেলত ৱেষ্ট ইণ্ডিজে ইংলেণ্ডক ৩০ ৰানত পৰাস্ত কৰে। প্ৰথমে বেটিং কৰি ৱেষ্ট ইণ্ডিজে নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ১৯৬ ৰান সংগ্ৰহ কৰে। শ্বাৰফেন ৰাদাৰফোৰ্ডে ৭৬ ৰানৰ বৰঙণি আগবঢাই আউট নোহোৱাকৈ থাকে। খেলখনত ইংলেণ্ডে ১৯ অভাৰত আটাইকেইটা উইকেট হেৰুওৱাই ১৬৬ ৰানহে সমগ্ৰহ কৰিবলৈ সমৰ্থ হয়। ৱেষ্ট ইণ্ডিজৰ হৈ গুদাকেশ মটিয়ে তিনিটা উইকেট দখল কৰে। কলম্বোত অনুষ্ঠিত গ্ৰুপ বি পৰ্যায়ৰ দ্বিতীয়খন খেলত অষ্ট্ৰেলিয়াই আয়াৰলেণ্ডক ৬৭ ৰানত পৰাস্ত কৰে। প্ৰথমে বেটিং কৰি

অষ্ট্ৰেলিয়াই ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ১৮২ ৰান সংগ্ৰহ কৰে। ইয়াৰ পিছতে আয়াৰলেণ্ডে ১৬ অভাৰ আৰু ৫টা বলত ১১৫ ৰান সংগ্ৰহ কৰি আটাইকেইটা উইকেট হেৰুওৱাই। আহমেদাবাদৰ নৰেন্দ্ৰ মোডী ষ্টেডিয়ামত অনুষ্ঠিত আন এখন খেলত দক্ষিণ আফ্ৰিকাই আফগানিস্তানক পৰাস্ত কৰে।

আজি নতুন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত ভাৰতে নামাবিয়াৰ বিৰুদ্ধে খেলিব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। বালাগোল্লাৰ ঘৰুৱা খেলপথাৰত শ্ৰীলংকাই আজি দিনৰ ১১ বজাত অমানৰ মুখামুখি হ'ব। ইফালে মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত বিয়লি ৩ বজাত নেপালে ইটালীৰ বিৰুদ্ধে খেলিব।

ooooo

ৰৌৰকেলাৰ বিৰছা মুণ্ডা হকী ষ্টেডিয়ামত কালি এফ আই এইচ ২০২৫-২৬ প্ৰ-লীগ প্ৰতিযোগীতাৰ এখন খেলত ভাৰত বেলজিয়ামৰ হাতত ১-৩ গ’লত পৰাস্ত হয়। বেলজিয়ামৰ হৈ নেলছন অনানা, থমাছ ক্ৰলছ আৰু আৰ্নো ভ্যান ডেচেলে এটাকৈ গ’ল দিয়াৰ বিপৰীতে ভাৰতৰ হৈ শ্বিলানন্দ লাক্ৰাই একমাত্ৰ গলটো দিয়ে। খেলখন শেষ হবলৈ অন্তিম ১৫ মিনিট সময় বাকী থকা অৱস্থাত বেলজিয়ামে দুটা গ’ল দিয়ে। হৰমনপ্ৰীত সিং নেতৃত্বাধীন ভাৰতীয় দলটোৱে আজি আৰ্জেণ্টিনাৰ বিৰুদ্ধে খেলিব। খেলখন সন্ধিয়া ৭:৩০ বজাত আৰম্ভ হ’ব। ১৪ ফেব্ৰুৱাৰীত আয়োজক দলটো পুনৰ বেলজিয়ামৰ মুখামুখি হ'ব।

ooooo

সমাপ্ত